# অসম আদিত্য

চ'ত, ১৯৪৬ শক ■ দেওবাৰ, ১৬ মাৰ্চ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, March 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহা


ডিব্ৰুগড় কেন্দ্ৰৰ অৱসৰপ্ৰাপ্ত কেন্দ্ৰ সঞ্চালক
লৈ আগবঢ়োৱা হৈছে। আজি যোৰহাটৰ
শলীয়াত অৱস্থিত গণশিল্পী মঘাই ৮ পৃষ্ঠাত

## সাহিত্য সভাৰ
## জুৰোৱা অনুষ্ঠান'

### তি-প্ৰধান সম্পাদকক সম্বৰ্ধনা

৫ মাৰ্চ ঃ কামৰূপ মহানগৰ জিলা সাহিত্য
জুৰোৱা অনুষ্ঠান' শীৰ্ষক এটি ব্যতিক্ৰমধৰ্মী
ষ্ঠানেৰে কালি অসম সাহিত্য সভাৰ সভাপতি
মাৰ গোস্বামী আৰু প্ৰধান সম্পাদক দেৱজিৎ
ণি জনায়। মহানগৰীৰ ভগৱতী প্ৰসাদ ৮ পৃষ্ঠাত

## ণত পুখুৰীত পৰি
## ম শ্ৰেণীৰ ছাত্ৰীৰ মৃত্যু

তিবেদক, চৰাইদেউ, ১৫ মাৰ্চ ঃ চৰাইদেউ জিলা
আৰক্ষী থানাৰ অন্তৰ্গত মৰাণ পেটুৱা দলঙত
উৎসৱ ফাঁকুৱাৰ আনন্দ উল্লাসৰ মাজতে এক
সংঘটিত হয়। ফাঁকুৱাৰ ৰং সানি কাযৰ পুখুৰীত
গৈ এগৰাকী পঞ্চম শ্ৰেণীৰ ছাত্ৰীয়ে অতি
মৃত্যুক আঁকোৱালি লয়। ৰিম্পী গগৈ ৮ পৃষ্ঠাত

### শ্ৰীশ্ৰী মায়ামৰা পুৰণি নামঘৰৰ শতবৰ্ষ ঃ 'প্ৰদীপ্ত আভা' উন্মোচন

# নামঘৰ অসমীয়া সংস্কৃতি-ধৰ্মীয় জীৱনৰ অবিচ্ছেদ্য অংগ ঃ অধ্যক্ষ ড° শইকীয়া

## চমুৱাগাঁৱত পথ দুৰ্ঘটনাত বাইক আৰোহী নিহত

**প্ৰতিবেদক, বেবেজীয়া, ১৫ মাৰ্চ ঃ** দৌল উৎসৱৰ আনন্দ-উল্লাসৰ মাজতে নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ জাজৰি আৰক্ষী থানাৰ এলেকাধীন চমুৱাগাঁও চাৰিআলিত শুকুৰবাৰে বিয়লি সংঘটিত হোৱা এক ভয়ংকৰ পথ দুৰ্ঘটনাত এজন বাইক আৰোহী যুৱক থিতাতে নিহত হয়। নিহত যুৱকজন মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত মোলানকটা গাঁৱৰ ৮ পৃষ্ঠাত



**ডিব্ৰুগড়, ১৫ মাৰ্চ ঃ** নামঘৰ হৈছে অসমীয়া সংস্কৃতি আৰু ধৰ্মীয় জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ, যি অসমত প্ৰচলিত বৈষ্ণৱ ধৰ্মৰ এক প্ৰধান ধৰ্মীয় স্থান।— গৰুধৰীয়া পাত্ৰ গাঁৱৰ শ্ৰীশ্ৰী মায়ামৰা পুৰণি নামঘৰৰ শতবৰ্ষ উপলক্ষে প্ৰকাশ কৰা স্মৃতিগ্ৰন্থ 'প্ৰদীপ্ত আভা' উন্মোচন কৰি ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। স্মৃতিগ্ৰন্থখন ৮ পৃষ্ঠাত



দেশৰ গৃহমন্ত্ৰী

## বীৰ



# অসম আদিত্য

২ চ'ত, ১৯৪৬ শক ■ দেওবাৰ, ১৬ মাৰ্চ, ২০২৫ ■ Asom Aditya, Dibrugarh, Sunday, March 16, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ


## ...াত দৌলোৎসৱ পালন

...পুৱা হঠাৎ সমিতিৰ বিশিষ্ট সেৱক তথা নাগাৰাবাদক শিল্পী ...্য ঘটাত সেইদিনাৰ আই আৰু বাপসকলৰ বাবে পৃথকে আয়োজন ...ত ৰখোৱা হয়। ১৪ মাৰ্চৰ পুৱাবেলা দৌলপূজা কৰা হয় আৰু ...কলে সামুহিকভাৱে প্ৰভুৰ নিৰ্মালী গ্ৰহণ কৰে। তাৰ পিছতে ...মহিলা নিৰ্বিশেষে সকলো শ্ৰেণীৰ ভক্তই সংকীৰ্তন কৰি কৰি ...গুৰ পৰা বৃদ্ধলৈ সকলোৱে ফাঁকু খেলি আনন্দত মতলীয়া হৈ ...সমিতিৰ সভাপতি জিতেন ডেকা, প্ৰাক্তন সভাপতি ধীৰেন ...ক অৰূপজ্যোতি ডেকা, দৌলোৎসৱৰ আয়োজকসকল ...ৰ্মন, কাশী বৰ্মন, সুনীল পাটোৱাৰী আৰু অংকুৰ মৰাণকে ... অংশগ্ৰহণ কৰে। ডুমডুমাত সকলো শ্ৰেণীৰ ৰাইজে কালি ...ক আনন্দমুখৰ পৰিৱেশত ফাঁকুৱা উৎসৱ উদ্‌যাপন কৰে।

## ...পুখুৰীত অংকীয়া ভাওনা

...খনৰ উপৰি ৰাষ্ট্ৰীয় পৰ্যায়ৰ লগতে বিদ্যায়তনিকভাৱে নতুনত্বৰ ...উদ্দেশ্য আগত ৰাখি ফল্গুৎসৱৰ দিনটোৰ পৰাই আৰম্ভ হৈছে ...প্ৰথম দিনটোত পুৱা উষা কীৰ্তনেৰে আৰম্ভ হয়। ইয়াৰ পিছতে পুৱা ...দ্‌ঘাটন কৰে জন্মস্থান পৰিচালনা সমিতিৰ সভাপতি, সত্ৰাধিকাৰ ...মীয়ে। নৱনিৰ্মিত বস্তি গৃহ উদ্‌ঘাটন কৰে সত্ৰাধিকাৰ হেমচন্দ্ৰ ... উত্তোলন কৰে জনাৰ্দন দেৱগোস্বামীয়ে আৰু জন্মস্থানৰ নৱনিৰ্মিত ...াসন প্ৰতিষ্ঠা কৰে শ্ৰীশ্ৰী গৃহস্থী কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ ... আৰু উত্তৰ কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীয়ে।

## নামঘৰ অসমীয়া সংস্কৃতি-ধৰ্মীয়

উন্মোচন কৰি তেওঁ কয় যে ই কেৱল কাগজৰ পৃষ্ঠাত লিখা শব্দৰ সমষ্টি নহয়, ইয়াৰ মাজেৰে নামঘৰটোৰ স'তে জড়িত হৈ থকা পূৰ্ব পুৰুষসকলৰ ত্যাগ, সংগ্ৰাম আৰু ভক্তি ভাৱনাৰ এক জীৱন্ত ইতিহাস। তেওঁ কয়— নামঘৰ বৈষ্ণৱ সমাজৰ আধ্যাত্মিক, সাংস্কৃতিক আৰু সামাজিক জীৱনৰ এক কেন্দ্ৰবিন্দু। নামঘৰটোৰ এশবছৰীয়া ইতিহাসে কয়— কেনেকৈ, কিভাৱে পৱিত্ৰ পৰিৱেশে এচাম মানুহক একত্ৰিত কৰি ৰাখিছে। নামঘৰ ধৰ্মীয় ঐক্য, সাংস্কৃতিক সংৰক্ষণ, শিক্ষাৰ কেন্দ্ৰ, সামাজিক সংহতি, ধৰ্মীয় অনুষ্ঠান আৰু এক লোক আদালত বুলি উল্লেখ কৰি তেওঁ কয়— শ্ৰীমন্ত শংকৰদেৱৰ সপোন আছিল নামঘৰৰ যোগেদি অসমীয়া সমাজখনক একত্ৰীকৰণেৰে সংস্কাৰ কৰা। শ্ৰীমন্ত শংকৰদেৱৰ এই সপোনক বাস্তৱ কৰিবৰ কাৰণে শ্ৰীশ্ৰী মায়ামৰা পুৰণি নামঘৰটিয়ে বিগত এশ বছৰে প্ৰয়াস কৰি অহাৰ বাবে তেওঁ কৃতজ্ঞতা প্ৰকাশ কৰে। অধ্যক্ষগৰাকীয়ে নামঘৰটিক পৰ্যটনৰ ক্ষেত্ৰ আৰু গৰুধৰীয়া গাঁওখনক কিতাপৰ গাঁও হিচাপে গঢ়ি তুলিবলৈ বিধায়ক চক্ৰধৰ গগৈক আহ্বান জনায়। মৃদুল পাত্ৰই আঁত ধৰা অনুষ্ঠানটোত মৰাণ সমষ্টিৰ বিধায়ক চক্ৰধৰ গগৈয়ে নামঘৰটোৰে এশ বছৰ পূৰ্তি কৰা উপলক্ষে ভক্তপ্ৰাণ ৰাইজক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। অনুষ্ঠানত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা কেন্দ্ৰৰ সহকাৰী অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই শ্ৰীমন্ত শংকৰদেৱ, মাধৱদেৱৰ অসমীয়া সমাজলৈ আগবঢ়োৱা বৰঙনিৰ বাবে তেওঁ ভূয়সী প্ৰশংসা কৰে আৰু তেওঁৰ আদৰ্শৰে আগুৱাই যাবলৈ সকলোকে আহ্বান জনায়। অনুষ্ঠানত জ্যোতি চিত্ৰবনৰ উপাধ্যক্ষ সুনিল কোঁৱৰ আৰু ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ সভাপতি অসীম হাজৰিকা, উদ্‌যাপন সমিতিৰ সভাপতি প্ৰফুল্ল চন্দ্ৰ পাত্ৰ, কাৰ্যকৰী সভাপতি আনন্দ বৰপাত্ৰ আৰু সম্পাদক খুবেন পাত্ৰকে ধৰি সমিতিৰ বিষয়ববীয়াসকল লগতে বহুকেইগৰাকী গণ্য-মান্য ব্যক্তি আৰু কেইবাশতাধিক ভক্তপ্ৰাণ ৰাইজ উপস্থিত থাকে।

নাগৰিক সন্মিলন, কমলপুৰ ষ্টাৰ ক্লাব, কমলপুৰ থিয়েটাৰ পৰিচালনা সমিতি, ৰঙিয়া জিলা যুৱ-ছাত্ৰ পৰিষদ, কমলপুৰ মণ্ডল বিজেপি, উত্তৰ কামৰূপ জিলা বিজেপিয়ে নশ্বৰদেহত শেষ শ্ৰদ্ধা নিবেদন কৰে। কমলপুৰ সমষ্টিৰ বিধায়ক দিগন্ত কলিতা, প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতা, অসম বাৰ্তাজীৱী সংঘয়ো ডেকাৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালক গভীৰ সমবেদনা জ্ঞাপন কৰে।

## উদুলি-মুদুলি মণিকাঞ্চন সমন্বয়

প্ৰতিযোগিতা। সেয়ে পুৱাৰে পৰা বেকাজান এশঘৰীয়াৰ মণিকাঞ্চন সমন্বয় ক্ষেত্ৰত অগণন ৰাইজৰ উপস্থিতিত উদুলি-মুদুলি পৰিৱেশ সৃষ্টি হৈছে। পুৱা মণিকাঞ্চন নাট্যগোষ্ঠীৰ সভাপতি তথা ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য বিপুল কছাৰী, উদ্‌যাপন সমিতিৰ সভাপতি তথা বিশিষ্ট সমাজকৰ্মী সুশীল বৰদলৈৰ পতাকা উত্তোলনেৰে কাৰ্যসূচী আৰম্ভ হয়। বন্তিপ্ৰজ্বলন কৰে নামঘৰীয়া মনেশ্বৰ হাতীবৰুৱা আৰু অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰবীণ চন্দ্ৰ দাসে। মণিকাঞ্চন নাট্যগোষ্ঠীৰ মুখ্য উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত অধ্যক্ষ বুধীন্দ্ৰ নাথ বৰচেতিয়া আৰু বৰহোলা সাংবাদিক সন্থাৰ সম্পাদক অজয় শইকীয়াই বৃক্ষৰোপণ কৰাৰ পিছতে ফিটা কাটি প্ৰৱেশ দ্বাৰ মুকলি কৰা হয়। ইয়াৰ পিছতে ৰূপায়িত হোৱা ভাগৱতসহ সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰে বিশিষ্ট সাংস্কৃতিক কৰ্মী, শিক্ষক পবিত্ৰ প্ৰাণ বৰুৱাই। শোভাযাত্ৰাত জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে অগণন লোকে অংশগ্ৰহণ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতি প্ৰদৰ্শিত শোভাযাত্ৰাই অঞ্চলটোৰ ৰাইজক মুগ্ধ কৰি তোলে। ইয়াৰ পিছতে নাম-প্ৰসংগ, ভাওনাৰ দলসমূহক আদৰণি, নিমন্ত্ৰিত অতিথিক আদৰণি জনোৱা হয়। আবেলি শ্ৰীশ্ৰী কমলাবাৰী সত্ৰৰ বুঢ়াভকত সোণাৰাম শৰ্মা উপস্থিত থাকি ভাওনাৰ মঞ্চ উদ্বোধন কৰে। কাৰ্যসূচীসমূহৰ আঁত ধৰে উদ্‌যাপন সমিতিৰ সম্পাদক গোপাল কছাৰী, সাংস্কৃতিক কৰ্মী ছত্ৰজিৎ যাদৱ আদিয়ে। কাৰ্যসূচীৰ মাজতে ভাওনা প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি ভাস্কৰ বৰচেতিয়াৰ সম্পাদনাত প্ৰকাশ পোৱা 'মুক্তিমংগল' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন কৰে যোৰহাট জিলা সাহিত্য